# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 31-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। বস্ত্র আৰু পৰিধান সামগ্ৰী খণ্ডই বহু লোকক জীৱিকাৰ সুবিধা দি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তান ভ্ৰমণৰ প্ৰথম দিনা বিছ্‌কেকত ভাৰতৰ মিত্ৰদেশৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে।

৩। ভাৰতীয় নৌসেনাই আজি মুম্বাইৰ নৌসেনাৰ জাহাজ ঘাটত নিষ্টাৰ শ্ৰেণীৰ দ্বিতীয়খন ডুবাৰু সহায়ক জাহাজ আই এন এছ্‌ নিপুণৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ প্ৰণৱ মুখাৰ্জীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাৰে সুঁৱৰিছে।

আৰু

৫। নেপালৰ বিধবংসী বান আৰু অৱবাহিকা অঞ্চলত হোৱা প্ৰবল বৰষুণৰ বাবে বিহাৰৰ গন্দক আৰু কোশী নদীৰ জলস্তৰ বৃদ্ধি পাইছে।

০০০০০০০০

বস্ত্র আৰু পৰিধান সামগ্ৰী খণ্ড দেশৰ সাংস্কৃতিক ঐতিহ্যৰ কেৱল গুৰুত্বপূৰ্ণ অংশই নহয়, বৰং এই খণ্ডই লক্ষ লক্ষ লোকক জীৱিকাৰ সুবিধা দি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মত প্ৰকাশ কৰিছে। আজি নতুন দিল্লীৰ যশোভূমিত ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠান, এন আই এফ টিৰ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ এন আই এফ টিৰ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ চানেকি ধৰি ৰখাৰ লগতে গোলকীয় দৃষ্টিভংগী গ্ৰহণ কৰি আগবাঢ়ি যাবলৈ আহ্বান জনায়। ফেশ্বন উদ্যোগত মহিলাসকলৰ ভূমিকা বাঢ়ি অহাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অনুষ্ঠানত উপস্থিত থকা প্ৰায় ৪ হাজাৰ শিক্ষাৰ্থীৰ ৮৫ শতাংশই ছাত্ৰী। বস্ত্র আৰু ফেশ্বন উদ্যোগত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত ভাৰতৰ অপাৰ সম্ভাৱনা আছে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

বাইট (ৰাষ্ট্ৰপতি)

তেওঁ শিক্ষাৰ্থীসকলক নিজৰ জ্ঞান, দক্ষতা আৰু সৃজনীশীলতাক দেশৰ পৰম্পৰাগত বস্ত্ৰ ঐতিহ্য আৰু সমসাময়িক বজাৰৰ সৈতে সংযোগ কৰি নতুন প্ৰযুক্তিৰ সহায় লৈ কাম কৰিবলৈ আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে

দেশৰ ১৮খন এন আই এফ টিৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰি এইদৰে কয়।

বাইট (ৰাষ্ট্ৰপতি)

তেওঁ লগতে কৃতি শিক্ষাৰ্থীসকলক স্বৰ্ণপদকো প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে নিজৰ ভাষণত ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে বৰঙণি আগবঢ়াবলৈ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে শিক্ষাৰ্থীসকলে কেৱল চাকৰিৰ সন্ধানত নাথাকি নিয়োগ প্ৰদানকাৰী আৰু নিয়োগ সৃষ্টিকাৰী হিচাপে নিজক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰা উচিত।

বিগত চাৰিটা দশকত এন আই এফ টি, শিক্ষাৰ্থী আৰু বৃত্তিধাৰীসকলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ কৃতিত্ব অৰ্জনেৰে দেশলৈ স্বীকৃতি কঢ়িয়াই আনিছে বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ ভাৰতীয় বস্ত্ৰ, ৰেচম আৰু পৰম্পৰাগত শৈলীসমূহ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ বাবে এন আই এফ টি কৰ্তৃপক্ষৰ শলাগ লয়। শ্ৰীমতী মুৰ্মুৱে এই অনুষ্ঠানত ডিগ্ৰী প্ৰমাণপত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু পদক বিজেতাসকলক অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, বস্ত্ৰ মন্ত্ৰালয়ৰ সচিব নীলম ছামি ৰাও, প্ৰতিষ্ঠানটোৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি কিৰ্গিস্তানত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভ্ৰমণৰ প্ৰথম দিনা বিছকেকত ভাৰতৰ মিত্ৰদেশৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। যোগ আৰু মানস একাডেমীকে ধৰি বিভিন্ন খণ্ডত ভাৰতৰ সৈতে কাম কৰি থকা চাৰিখন দেশৰ প্ৰতিনিধি বৈঠকত উপস্থিত থাকে। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত বিছকেকৰ মহাত্মা গান্ধী স্মাৰক উদ্যানত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

শ্ৰীমোদীয়ে কিৰ্গিস্তানত আজিৰে পৰা দুদিনীয়াকৈ আয়োজন কৰা ২৬ সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ৰাছিয়া, ইৰান, কিৰ্গিস্তান আৰু আৰ্মেনিয়াৰ মুৰব্বীসকলৰ সৈতে বৈঠক অনুষ্ঠিত হ'ব। সন্মিলনৰ দ্বিতীয় তথা অন্তিম দিনা প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দিব। ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে এই সংস্থাৰ কেইবাগৰাকী নেতাৰ সৈতে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। এইবাৰ এই সন্মিলনৰ বিষয়বস্তু হৈছে— ছাংহাই সহযোগিতা সংস্থাৰ ২৫ বছৰ ঃ একেলগে বহনক্ষম, শান্তি, উন্নয়ন আৰু সমৃদ্ধিৰ দিশত। এই সন্মিলনত সন্ত্ৰাসবাদ প্ৰতিৰোধ, আঞ্চলিক স্থিৰতা আৰু সীমান্তৰ ইপাৰৰ ভাবুকিৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ত অগ্ৰাধিকাৰ দিয়া হ'ব।

০০০০০০০০

ভাৰতীয় নৌসেনাই আজি মুম্বাইৰ নৌসেনাৰ জাহাজ ঘাটত নিষ্টাৰ শ্ৰেণীৰ দ্বিতীয়খন ডুবাৰু সহায়ক জাহাজ আই এন এছ নিপুণৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।এই উপলক্ষে আয়োজিত অনুষ্ঠানত নৌসেনা বাহিনী মুৰব্বী এডমিৰেল কৃষ্ণ স্বামীনাথনে কয় যে সমুদ্ৰতলীত অভিযান চলোৱাৰ ক্ষেত্ৰত নৌসেনাৰ সামৰ্থ্য বৃদ্ধিত আই এন এছ নিপুণে বিশেষভাৱে সহায় কৰিব। এই জাহাজখন পশ্চিম নৌসেনা কমাণ্ডৰ সামৰ্থ্য বৃদ্ধিৰে সমুদ্ৰতলীৰ অভিযান সুচল কৰাৰ লগতে চাবমেৰিণ উদ্ধাৰকাৰী আৰু ডুবাৰুসকলক সহায়ৰ ক্ষেত্ৰত বিশেষ ফলপ্ৰসূ হিচাপে পৰিগণিত হ'ব। বিশাখাপট্টনমৰ হিন্দুস্তান শ্বিপ য়াৰ্ড লিমিটেডৰ দ্বাৰা নিৰ্মিত আৰু থলুৱা প্ৰযুক্তিৰে বিকশিত নিপুণক সমুদ্ৰতলীৰ

বিস্তীৰ্ণ এলেকাজুৰি অভিযানত ব্যৱহাৰ কৰাৰ বাবে বিশেষ উদ্দেশ্যেৰে নিৰ্মাণ কৰা হৈছে। এই জাহাজখনত আধুনিক ডুবাৰু ব্যৱস্থা, সমুদ্ৰতলীত কাৰ্যক্ষম হোৱাৰ বাবে অত্যাধুনিক সঁজুলি আৰু সমুদ্ৰৰ প্ৰতিকূল পৰিবেশৰ সৈতে খাপ খাব পৰাকৈ নতুন সা-সুবিধা সংযোজন কৰা হৈছে। এই জাহাজখনত আধুনিক দিকনিৰ্ণয় ব্যৱস্থাৰ লগতে চিকিৎসা সম্পৰ্কীয় সা-সুবিধাও ৰখা হৈছে।

০০০০০০০০

আমেৰিকাই যোৱা নিশা হৰমুজ প্ৰণালীৰ লাৰাক দ্বীপত ইৰাণৰ সামৰিক ঘাটিক লক্ষ্য কৰি আক্ৰমণ চলায়। আমেৰিকান বাহিনীয়ে প্ৰকাশ কৰা মতে তেওঁলোকে ইৰাণৰ ইছলামিক ৰিভ'লুচনাৰী গাৰ্ড ক'ৰে এটা ৰকেট হৰমুজ প্ৰণালীলৈ নিক্ষেপ কৰিবলৈ সাজু হোৱা প্ৰত্যক্ষ কৰি আমেৰিকাই লাৰাক দ্বীপত ইৰাণৰ এই চেষ্টা ব্যৰ্থ কৰে। ইপিনে ইৰাণৰ ৰাষ্ট্ৰীয় সম্প্ৰচাৰ সেৱা আৰ আৰ আই বিয়ে প্ৰকাশ কৰা মতে এই আক্ৰমণত ইৰাণৰ কেইবাজনো জোৱান আৰু নাগৰিক নিহত তথা আহত হৈছে। ইৰাণে এই আক্ৰমণৰ প্ৰত্যুত্তৰত জৰ্দানত থকা আমেৰিকাৰ সামৰিক ঘাটিত ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰে।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ওড়িশা আৰু ছত্তিশগড়ৰ কোনো কোনো ঠাইত আজি ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। তদুপৰি অৰুণাচল প্ৰদেশ, বিহাৰ, পূব উত্তৰ প্ৰদেশ, ঝাৰখণ্ড, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু উত্তৰাখণ্ডতো প্ৰৱল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিয়া হৈছে।

০০০০০০০০

গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৭ জনলৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা এগৰাকী মহিলাৰ আজি মৃত্যু হয়। আহত আন ছজন লোক বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ইয়াৰে দুজন লোকৰ অৱস্থা অতি সংকটজনক বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

ইপিনে এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হৈছে।

উল্লেখযোগ্য যে ক্ষেত্ৰীত কালি গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাহনে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাৰ পাছতে বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত খুন্দা মৰাৰ ফলত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ প্ৰণৱ মুখাৰ্জীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাৰে সুঁৱৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকী সু-প্ৰশাসক আৰু পণ্ডিত আছিল যিয়ে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা জীৱনৰ জৰিয়তে সাংবিধানিক প্ৰমূল্য আৰু ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ উদাহৰণ দাঙি ধৰিছিল। তেওঁৰ আদৰ্শ নতুন নেতাসকলৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত ডঃ শৰ্মাই কয়, যে দূৰদৰ্শী ৰাষ্ট্ৰৰ নায়ক, প্ৰজ্ঞাবান চিন্তাবিদ আৰু দক্ষ প্ৰশাসক হিচাপে প্ৰণৱ মুখাৰ্জীয়ে তেওঁৰ দীৰ্ঘ ৰাজহুৱা জীৱনত দেশৰ উন্নয়ন আৰু অগ্ৰগতিত অনন্য অৱদান আগবঢ়াই থৈ গৈছে। অসমৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰতো প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীৰ সহযোগিতা সদায় স্মৰণীয় হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী-থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিববতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

ইপিনে নেপালৰ বিধবংসী বান আৰু অৱবাহিকা অঞ্চলত হোৱা প্ৰবল বৰষুণৰ বাবে বিহাৰৰ গন্দক আৰু কোশী নদীৰ জলস্তৰ বৃদ্ধি পাইছে। নৈৰ পানী নিয়ন্ত্ৰণৰ বাবে কোশীৰ বাল্মিকীনগৰ বান্ধৰ ৩৬ খন গে'ট আৰু বীৰপুৰ বান্ধৰ ৫৬ খন গে'টৰ ভিতৰত ২৫ খন গে'ট খুলি দিয়া হৈছে।

০০০০০০০০

সমাপ্ত